"হয়, কিন্তু ইয়াত আপোনালোকক পাই মোৰ ভালেই লাগিছে। আজি মোৰ নজৰুলৰ 'এতো জল ও কাজল চোখে, পাষাণী আনলো বলো কে?' গীতটো গাবলৈ বৰ মন গৈছিল। পিছে গাটোহে ভাল নহয়। আজি থাকক। বাৰু মই আহোঁ। পাছত আকৌ আহিম।"

হেমাংগই বিদায় লৈ নিজৰ কুঠৰিলৈ আহিল। গাটো অলপ বেয়া লাগি আছিল। তাৰ দুদিনমান পাছৰ কথা। এদিন দুপৰীয়া শৰবিন্দুৰ সৈতে দবা খেলি থাকোঁতে হঠাৎ হেমাংগৰ কাহ আহিল। কাহৰ লগত তেজ। লগে লগে হুলস্থুল লগাই শৰবিন্দুৱে ভূপেশ, গণেশ, মন্মথহঁতক মাতি আনিলে। সকলোৱে ধৰাধৰি কৰি হেমাংগক হস্পিটেললৈ লৈ আহিল। ডাক্তৰ ডোনালিয়ে পৰীক্ষা কৰি ঔষধ দিলে আৰু ক'লে অলপ সাৱধানে ৰাখিব লাগিব; যক্ষ্মা হ'ব পাৰে।

শৰবিন্দুহঁতে লৈ আহি কুঠৰিত শুৱাই দিলেহি। সিহঁতেই জেইলাৰৰ পৰা অনুমতি লৈ পৰিচৰ্যা কৰাত লাগিল। দুদিনমানৰ পাছত কাহটো অলপ কমিল যদিও হেমাংগ তেনেই দুৰ্বল হৈ পৰিল। যক্ষ্মা ৰোগাক্রান্ত বুলি জানি চিন্তিত হ'ল। ইতিমধ্যে কেইবাটাও যক্ষ্মাৰোগীৰ মৃত্যুৰ দৃশ্য হেমাংগই দেখিছে। দুৰাৰোগ্য যক্ষ্মাই যে তিল তিলকৈ মৃত্যুৰ ওচৰলৈ লৈ যাব সেই কথা ভাবি হেমাংগ শংকিত নোহোৱাকৈ নাথাকিল।

এদিন জেইলাৰ সতীশ চন্দ্ৰ চৌধুৰী নিজেই হেমাংগৰ ওচৰলৈ আহি ক'লে—"অসুখ ভাল হৈছেনে নাই?"

"বিশেষ ভাল পোৱা নাই। কাহৰ লগত তেজ গৈ আছে।" —হেমাংগই দুৰ্বল কণ্ঠেৰে ক'লে।

"এটা কাম কৰা। এখন বগা কাগজত মাথোঁ চহী এটা দিলেই তুমি জে'লৰ পৰা মুক্তি পাবা। এই শৰীৰ লৈ তুমি জে'লত থাকিলে তোমাৰ বিপদ হ'ব।"—জেইলাৰ চৌধুৰীয়ে পৰামৰ্শ দিলে।

"ক্ষমা কৰিব। মই চহী কৰিব নোৱাৰিম।"—হেমাংগই দৃঢ়ভাৱে ক'লে।

"তেনেহ'লে তোমাক 'আইছ'লেশ্যন ছেল'লৈ পঠাই দিম। তাত বাচিলে বাচিবা, মৰিলেও মৰিবা।" —মেজাজ সলনি কৰি জেইলাৰে শেষ কথা শুনালে।

জেইলাৰ যোৱাৰ পাছত হেমাংগই কথাটো গভীৰভাৱে চিন্তা কৰিলে। কি হ'বগৈ পাৰে শেষ পৰিণতি? কাগজত চহী কৰি দিয়া মানেই সমগ্ৰ জীৱনটোতে পৰাজয়ৰ গ্লানি কঢ়িয়াই লৈ ফুৰা। মৰিলেও এনে কাম কৰিব নোৱাৰে। প্ৰয়োজন হ'লে মৃত্যুক সাবটি লোৱাই শ্ৰেয় হ'ব। ঘটনাটো হেমাংগৰ সন্মুখত প্ৰচণ্ড প্ৰত্যাহ্বান হৈ পৰিল।

শৰবিন্দু, ভূপেশ, গণেশহঁতে মিটিং পাতি সিদ্ধান্ত ল'লে যে হেমাংগই ব'ণ্ড দিলে সেয়া সৰ্বতোভাৱে মানি লোৱা হ'ব। এইটো জীৱন-মৰণৰ প্ৰশ্ন। ইমান ডাঙৰ বিপদৰ বোজা সহকৰ্মীসকলে ব'ব নোৱাৰে। পূৰ্ণেন্দু সেনে আহি হেমাংগক সিদ্ধান্তৰ বিষয়ে জনালে। কিন্তু হেমাংগ সন্মত নহ'ল। বহু অনুৰোধ, আবেগ, ধমক আৰু হেঁচাৰ সন্মুখতো শেষ পৰ্যন্ত অটল হৈ থাকিল।

কাকতিহঁতে হেমাংগৰ মনৰ কথা জানিব পাৰি বিনাচৰ্তে মুক্তি দিবলৈ কৰ্তৃপক্ষৰ ওচৰত কাতৰ অনুৰোধ জনালে। জেইলাৰ চৌধুৰীয়ে 'আইছ'লেশ্যন ছেল'লৈ নপঠোৱাৰ সিদ্ধান্ত ল'লে। চৌধুৰীক ধন্যবাদ জনাই কোঠাৰ পৰা সকলো ওলাই আহিল। তাৰ পাছত আৰু এটা মাহ। হেমাংগৰ শৰীৰৰ বিশেষ উন্নতি নোহোৱাত ডাঃ ডোনালিয়ে বেয়া ঘটনা কিবা হ'লে তাৰ দায়িত্ব তেওঁ ল'ব নোৱাৰে বুলি কৰ্তৃপক্ষক জনাই দিলে। অৱশেষত ডাঃ ডোনালিৰ চুপাৰিছতে কৰ্তৃপক্ষই বিনাচৰ্তে হেমাংগক মুক্তি দিবলৈ বাধ্য হ'ল।

এটা সেমেকা আবেলি। সকলোৱে পৰা বিদায় লৈ হেমাংগই জে'লৰ বাহিৰত ভৰি থ'লে।

হেমাংগক আদৰিবলৈ কাৰাগাৰৰ সন্মুখত চিলেটৰ পৰা মাখন চক্ৰৱৰ্তী আৰু মাধৱ মিত্ৰ আহি ৰৈ আছিল। দুয়োকে দেখি হেমাংগৰ দুগালেদি আনন্দাশ্ৰু বৈ আহিল। আগবাঢ়ি আহি সাবটি ধৰি দুয়োকে হেমাংগই আলিংগন কৰিলে।

"কেনে আছে?"—মাখনে সুধিলে।

"জে'লে আৰ ক'ত ভাল থাকা যায়? তথাপি জে'লের ভিতরে রাজনৈতিক বন্দীর সংগে ভালই লেগেছিল।" হেমাংগই ধীৰ কণ্ঠেৰে ক'লে।

"তোমার কিন্তু স্বাস্থ্যের অবনতি হয়েছে। তোমাকে বাইরে বাইরে যাদবপুর টি বি হস্পিটেলে নিয়ে চিকিৎসা করাতে বলেছে। তুমি আপত্তি করবেনা।" —মাধৱে কৰ্তৃত্বৰ সুৰত ক'লে।

হেমাংগৰ শৰীৰ দুৰ্বল। আপত্তি কৰাৰ প্ৰশ্নই নুঠে। মাখন আৰু মাধৱে হেমাংগক শ্বিলঙলৈ আনি ডাঃ বিধান ৰায়ক দেখুৱালে। ডাঃ ৰায়ে তেওঁৰ পৃষ্ঠপোষকতাতে স্থাপিত যাদৱপুৰৰ কে এছ ৰয় হস্পিটেলত ভৰ্তি কৰাৰ পৰামৰ্শ দিলে। ডাক্তৰৰ কথামতে তেওঁলোকে ততাতৈয়াকৈ আনি যাদৱপুৰৰ চিকিৎসালয়ত ভৰ্তি কৰালে। যক্ষ্মা দুৰাৰোগ্য, বিশেষ চিকিৎসা নাই। কিছুদিন চিকিৎসালয়ত সামান্য আৰোগ্য লাভ কৰাত সিহঁতে মিৰাশী গাঁৱৰ ঘৰলৈ লৈ আহিল। হেমাংগৰ চিকিৎসাৰ বাবে দুয়ো অশেষ কষ্ট স্বীকাৰ কৰিলে।

প্ৰায় ডেৰ বছৰৰ পাছত নিজৰ ঘৰলৈ আহোঁতে হেমাংগৰ মনত অনেক চিন্তাই তোলপাৰ লগালে। ঘৰখনে বাৰু কেনেদৰে আদৰিব? আদৰণি পাবনে? নাই, আনন্দৰ বন্যা নিশ্চয় বৈ আহে। দেউতাক আহ্লাদিত হোৱাৰ কথাই নাই। মাতৃ হৃদয়ে হয়তো আঁকোৱালি ল'ব খুজিব। হয়তো চকুৰ পানী টুকিব। আৰু ককাই-ভাইকেইজনে? সিহঁতৰ মুখত কিজানি শেঁতা হাঁহি বিৰিঙিব। নতুবা ভৱিষ্যতৰ ঘৰখনৰ সম্ভাব্য পৰিস্থিতিৰ কথা চিন্তা কৰি উদ্বিগ্ন হৈ পৰিব! ঘৰৰ বনকৰা লগুৱা-লিগিৰীহঁতৰ বাহিৰে আনন্দ কৰোঁতা বোধহয় কোনো নোলাব!

উগুল-থুগুল মন লৈ হেমাংগই ঘৰৰ আহল-বহল চোতালত ভৰি দিলেহি। লগত মাখন আৰু মাধৱো আহিল। সন্ধ্যা তেতিয়া গভীৰ হৈছে। চ'ত মাহৰ আকাশত তৰাবোৰ জলমলাই উঠিছে। বাহিৰত কোমল জোনাক। পূৰ্ণিমাৰ পূৰ্ণতা পাবলৈ জোনটো আগবাঢ়িছে। হয়তো আৰু বেছিদিন নাই। এই বিষয়ে হেমাংগই কোনো ধাৰণা কৰিব নোৱাৰিলে। দিন-বাৰ-তিথিৰ হিচাপ হেমাংগই কেতিয়াবাই পাহৰিছে।

চ'ৰাঘৰৰ পৰা মজলিছৰ শব্দ ভাহি আহিছে। দেউতাকক কেন্দ্ৰ কৰি অভ্যাগতসকলে চাগৈ পৰিৱেশ ৰসাল কৰি তোলাৰ চেষ্টা কৰিছে। অনেকে হয়তো দেউতাকৰ মনোযোগ আকৰ্ষণ কৰি ধন্য মানিছে। হেমাংগই পৰিৱেশ বিনষ্ট হোৱাৰ আশাংকাত চ'ৰাঘৰৰ ফালে নগৈ দীঘল বাৰাণ্ডাখনত উঠিলহি। সেই সময়ত হিৰণ্ময় বাহিৰতে বহি আছিল। হেমাংগহঁতক দেখি হিৰণ্ময়ে আচৰিত হৈ সুধিলে—"তুমি আছলে। কি আশ্চৰ্য? জে'লে থাকার ম্যাদ তো দুইবছর ছিল?"

হেমাংগই কোনো উত্তৰ নিদিয়াত মাখনেই ক'লে—"স্বাস্থ্য ভাল নাথাকার জন্যে তাকে আগে মুক্তি দিয়েছে।"

"তাৰ অসুখটো কি?" —হিৰণ্ময়ে পুনৰ সুধিলে।

"যক্ষ্মা।" —মাধৱে কওঁ-নকওঁকৈ ক'লে।

"তাহ'লে তার ভিতর নাযাৱাই উচিত। তবে আমি ভৃত্যকে ডেকে দিচ্ছি। ঐ ভিতরে কে আছে?"—হিৰণ্ময়ে বনকৰা মোহনক মাতি ভিতৰলৈ সোমাই গ'ল। হেমাংগক অৱশ ভাব এটাই হেঁচা মাৰি ধৰাত বাহিৰৰ চকীখনতে বহিল। পৰিস্থিতি ভাল নহ'ব বুলি ভাবি মাখন আৰু মাধৱ যাবলৈ ওলাল। মাখনে ক'লে—"এখন তুমি বিশ্ৰাম নাও। পরে তোমার সংগে দেখা করব।"

হেমাংগৰ পৰা বিদায় লৈ দুয়ো সতীৰ্থ ওলাই আহিল। অলপ পাছতে পৰিষ্কাৰ হৈ নতুন কাপোৰ পিন্ধি থাকিবলৈ দিয়া সুকীয়া ঘৰটোলৈ হেমাংগ আহিল। পিছে পিছে মাক সৰোজিনী। হেমাংগই মাকৰ মুখলৈ চালে। মানুহজনীৰ বয়স আগতকৈ বাঢ়িছে। চুলিত ৰূপালী ৰং ধৰিছে। বুকুত হয়তো অব্যক্ত বেদনা। ঢুলঢুলীয়া চকুযোৰলৈ চাব নোৱাৰি হেমাংগই তলমূৰ কৰিলে। এটা ক্ষীণ অথচ মৰমসনা মাত তাৰ কাণত পৰিলহি—"তুমি কেমন আছ?"